# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-12-2025
**Time :** 1910 Hrs.

***Assamese Evening Bulletin***
## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তেওঁৰ মন কী বাত কাৰ্যসূচীত অপাৰেচন সিন্দুৰ প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে গৌৰৱ কৰিব পৰা উল্লেখনীয় মুহূৰ্ত বুলি মন্তব্য কৰে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব।

৩। কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰৰ বিজ্ঞানৰ সংস্কাৰৰ ক্ষেত্ৰত

৪। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে কৈছে যে ইউক্ৰেইনে শান্তিৰক্ষাৰ ক্ষেত্ৰত কোনো ধৰণৰ খৰখেদা কৰা নাই।

*আৰু*

৫। তিৰুৱনন্তপুৰমত ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ মহিলা টী-২০ ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আৰম্ভ হৈছে।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ৰাষ্ট্ৰীয় সুৰক্ষাৰ পৰা ক্ৰীড়া ক্ষেত্ৰলৈকে, বিজ্ঞান পৰীক্ষাগাৰৰ পৰা বৃহৎ মঞ্চলৈকে ভাৰতে চলিত বৰ্ষত বিভিন্ন ক্ষেত্ৰত বিশ্বৰ বুকুত শক্তিশালী চাপ ৰাখি যাবলৈ সমৰ্থ হৈছে। আকাশবাণীযোগে প্ৰচাৰিত ১২৯ সংখ্যক মন কী বাত অনুষ্ঠানত প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি এই মন্তব্য কৰে। নিজৰ মনৰ ভাৱ ব্যক্ত কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে ২০২৫ বৰ্ষটোৰ বিষয়ে আলোকপাত কৰি কয়, যে বছৰটোৱে প্ৰতিজন ভাৰতীয়কে গৌৰৱ কৰিব পৰাকৈ ভালেমান স্মৃতি দি গৈছে। অপাৰেচন সিন্দুৰ প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে গৌৰৱ কৰিব পৰা আটাইতকৈ উল্লেখনীয় মুহূৰ্ত বুলি প্ৰধানমন্ত্ৰীয়ে মত পোষণ কৰে।

বন্দে মাতৰমৰ ১৫০ বছৰীয়া উদযাপনত দেশবাসীৰ স্পৃহা আৰু উদ্যমৰ প্ৰধানমন্ত্ৰীয়ে শলাগ লয়। ক্ৰীড়াৰ দিশতো ২০২৫ চনতো উল্লেখনীয় আছিল। ভাৰতীয় পুৰুষ ক্ৰিকেট দলৰ আই চি চি চেম্পিয়নছ ট্ৰফী দখল আৰু মহিলা ক্ৰিকেট দলৰ প্ৰথমবাৰৰ বাবে বিশ্বকাপ দখলে দেশবাসীক উৎসাহিত কৰাৰ কথা শ্ৰীমোদীয়ে উল্লেখ কৰে। মহিলাৰ দৃষ্টিহীন টি-২০ বিশ্বকাপত ভাৰতীয় দলে  খিতাপ দখলেৰে যি ইতিহাস ৰচিলে তাৰবাবে প্ৰধানমন্ত্ৰীয়ে প্ৰতিগৰাকীয়ে খেলুৱৈকে প্ৰশংসা কৰে।

বিজ্ঞান আৰু মহাকাশ গৱেষণাৰ ক্ষেত্ৰত ভাৰতে উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লখ কৰে।

প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে এটা শক্তিশালী যুৱ শক্তিৰ বাবে বিশ্বৰ বুকুত ভাৰতে আজি উল্লেখনীয় স্থান দখল কৰিবলৈ সক্ষম হৈছে। যুৱ সমাজক সম্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে অহা জানুৱাৰী মাহৰ ১২ তাৰিখে ৰাষ্ট্ৰীয় যুৱ দিৱসৰ দিনাই Young Leaders Dialogue অনুষ্ঠিত হ'ব।

মণিপুৰৰ উদ্যোগী মৈৰাংথেম শেঠৰ বিষয়ে প্ৰধানমন্ত্ৰীয়ে বিশেষভাৱে উল্লেখ কৰে। ৰাজ্যখনৰ এখন প্ৰান্তীয় গাঁৱৰ এই লোকজনৰ প্ৰচেষ্টাত অঞ্চলটোত সৌৰশক্তি উৎপাদনৰ ক্ষেত্ৰত লোৱা পদক্ষেপৰ বাবে প্ৰধানমন্ত্ৰীয়ে শলাগ লয়।

মণিপুৰৰ চুৰাচান্দপুৰৰ মাৰ্গেৰেট ৰামথাৰসিমৰ বিষয়ে উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে পাৰম্পৰিক উৎপাদন, হস্তশিল্প আৰু বাঁহ তথা কাঠেৰে প্ৰস্তুত কৰা সামগ্ৰীসমূহে ব্যাপক চাহিদা লাভ কৰিছে।

মণিপুৰৰ সেনাপতি জিলাৰ চোখিনে ক্ৰিচেনাৰ সমগ্ৰ পৰিয়ালটোক পাৰম্পৰিক খেতিৰ সৈতে জড়িত থকাৰ কথা উল্লেখ কৰি তেওঁ কয় যে ফুল খেতিক তেওঁ আত্মসংস্থাপনৰ বাট হিচাপে গ্ৰহণ কৰি নিজৰ লগতে স্থানীয় লোকসকলকো

সমৃদ্ধিশালী কৰি তুলিছে। পাৰম্পৰিক জ্ঞান আৰু আধুনিক দৃষ্টিভংগীৰে অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত এইটো এটা উল্লেখযোগ্য দিশ বুলি শ্ৰীমোদীয়ে তেওঁৰ মন কী বাত অনুষ্ঠানত প্ৰকাশ কৰে।

সদ্য সমাপ্ত **স্মাৰ্ট ইণ্ডিয়া হেকাথন**ৰ সফলতাত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে এইবাৰ হেকাথনত ৮০টা বিভিন্ন চৰকাৰী বিভাগৰ ২৭০টাতকৈও অধিক সমস্যা ছাত্ৰ-ছাত্ৰীসকলে কাম কৰি আছে। ধাৰণাক কাৰ্যত ৰূপান্তৰ কৰাৰ ক্ষেত্ৰত স্মাৰ্ট ইণ্ডিয়া হেকাথন উল্লেখনীয় মাধ্যম বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। ভ্ৰমণকালত শ্ৰীশ্বাহে গুৱাহাটী আৰু বটদ্ৰবাত কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তেওঁ কাইলৈ নগাঁও জিলাৰ বটদ্ৰৱাত অসম চৰকাৰে নতুনকৈ নিৰ্মাণ কৰি উলিওৱা ঐতিহাসিক বটদ্ৰৱা প্ৰকল্প উদ্বোধন কৰিব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাক কলা-সংস্কৃতি আৰু আধ্যাত্মিকতাৰ অন্যতম প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লগতে পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ কৰি তোলাত এই প্ৰকল্পই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

গৃহমন্ত্ৰী শ্ৰী শ্বাহে কাইলৈ গুৱাহাটীৰ নতুন আৰক্ষী আয়ুক্তালয় আৰু খানাপাৰাত নৱ নিৰ্মিত জ্যোতি বিষ্ণু প্ৰেক্ষাগৃহ উদ্বোধন কৰিব। ৫ হাজাৰ খন আসনযুক্ত এই প্ৰেক্ষাগৃহ উত্তৰ পূৰ্বাঞ্চলৰ অন্যতম বৃহৎ প্ৰেক্ষাগৃহ হিচাপে পৰিগণিত হ'ব। আয়ুক্তালয় উদ্বোধনৰ পাছতে শ্ৰীশ্বাহে নতুন ফৌজদাৰী আইন ৰূপায়ণৰ দিশত অসমে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত আয়োজিত এখন প্ৰদৰ্শনী পৰিদৰ্শন কৰিব।

০০০০০০০০০

কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰৰ বিজ্ঞানৰ সংস্কাৰৰ ক্ষেত্ৰত শান্তি বিধেয়ক বৃহৎ সাফল্য হিচাপে পৰিগণিত হৈছে। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ আগত শ্ৰীসিঙে কয় যে দেশৰ পাৰমাণৱিক শক্তি সামৰ্থ্য ২০১৪ চনৰ ৪ দশমিক ৪ গিগাৱাটৰ পৰা দুগুণ বৃদ্ধি হৈ বৰ্তমান এই সামৰ্থ্য প্ৰায় ৮ দশমিক ৭ গিগাৱাট হৈছে। মন্ত্ৰীগৰাকীয়ে কয় যে শান্তি বিধেয়কে ভাৰতৰ পাৰমাণবিক খণ্ডত এটা ঐতিহাসিক সংস্কাৰ সাধন কৰিছে। এই বিধেয়কৰ ফলত দেশৰ সুৰক্ষা, সাৰ্বভৌমত্ব আৰু ৰাজহুৱা স্বাৰ্থ বৰ্তাই ৰখাৰ ক্ষেত্ৰত সেউজ আৰু বহনক্ষম শক্তিৰ সম্ভাৱনা বৃদ্ধি কৰিছে। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ তৃতীয়টো কাৰ্যকালত বিজ্ঞান, উদ্ভাৱন আৰু উদ্যমিতাৰ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰিছে। উদ্ভাসিত কৃত্ৰিম বুদ্ধিমত্তা কোৱাণ্টাম আৰু তথ্য আদান-প্ৰদান অৰ্থব্যৱস্থা সন্দৰ্ভত তেওঁ কয় যে পাৰমাণবিক শক্তিয়ে বিশ্বাসযোগ্য বাধাহীন শক্তি আহৰণৰ উৎস হিচাপে পৰিগণিত হৈছে।

০০০০০০০০০

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে কৈছে যে ইউক্ৰেইনে শান্তিৰক্ষাৰ ক্ষেত্ৰত কোনো ধৰণৰ খৰখেদা কৰা নাই আৰু যদিহে তেওঁলোকে শান্তিপূৰ্ণভাৱে মস্কোৰ সৈতে সংঘাত দূৰ কৰাৰ প্ৰয়াস নকৰে তেতিয়া ৰাছিয়াই বল প্ৰয়োগ কৰি হ'লেও তেওঁলোকৰ লক্ষ্য সাধন কৰিব। ৰাছিয়াৰ সংবাদ প্ৰতিষ্ঠানৰ সূত্ৰ অনুসৰি ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে কালি চীফ অব জেনেৰেল ষ্টাফ ভেলেৰী গেৰাছিম'ভ আৰু বিভিন্ন যুদ্ধক্ষেত্ৰৰ দলসমূহৰ কামাণ্ডাৰসকলৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকৰ পাছত শ্ৰীপুটিনে কয় যে ৰাছিয়া আৰু ইউক্ৰেইন সীমান্তৰ বিভিন্ন অগ্ৰৱতী অঞ্চলত সুৰক্ষিত স্থান স্থাপন কৰিছে। তেওঁ লগতে কয় যে ৰাছিয়াৰ নিৰাপত্তা বাহিনীসমূহে ডনবাছ আৰু জাপোৰোঝাই অঞ্চলত আগুৱাই গৈছে। তেওঁ লগতে কয় যে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ জেলেনস্কিয়ে চাৰি বছৰ ধৰি চলি থকা যুদ্ধত ৰাছিয়াই দখল কৰা ইউক্ৰেইনৰ অঞ্চলসমূহ বিশেষকৈ জাপোৰিঝাই পাৰমাণবিক শক্তি প্ৰকল্প ইউক্ৰেইনৰ বাবে উল্লেখযোগ্য হিচাপে বিবেচিত হৈ আছে। শ্ৰীজেলেনস্কিয়ে এই স্পৰ্শকাতৰ বিষয়সমূহৰ ক্ষেত্ৰত সঠিক সিদ্ধান্ত লোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ফ্লৰিডাত আজি আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পৰ সৈতে বৈঠকত মিলিত হোৱাৰ পূৰ্বে তেওঁ এই মন্তব্য কৰে।

০০০০০০০০০

থাইলেণ্ডৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰী নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে আজি নিজ নিজ প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে। ২০২৬ চনৰ ৮ ফেব্ৰুৱাৰীত দেশখনৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি থাইলেণ্ডৰ নিৰ্বাচন আয়োগে আনুষ্ঠানিকভাৱে ঘোষণা কৰিছে। প্ৰধান বিৰোধী দলে সংবিধানৰ সংশোধন সন্দৰ্ভত অনাস্থা প্ৰস্তাৱ অনাৰ বাবে প্ৰধানমন্ত্ৰী আনুটিন চাৰ্ণভিৰাকুলে

অচিৰেই নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে চলিত মাহৰ আৰম্ভণিতে সংসদ ভংগ কৰি দিছিল। প্ৰধান বিৰোধী দল পিপল্‌ছ পাৰ্টীয়ে সংবিধানৰ সংশোধনৰ বিষয় লৈ অনাস্থা প্ৰস্তাৱ অনাত প্ৰধানমন্ত্ৰীগৰাকীয়ে নিৰ্বাচনৰ পোষকতা কৰে।

০০০০০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ গৃহ চমুকৈ এন টি এইছ আৰু প্ৰতিৰক্ষা সামগ্ৰী আৰু প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থাৰ সৈতে গৱেষণা পৰীক্ষণ আৰু প্ৰশিক্ষণৰ বাবে সহযোগিতা সুদৃঢ় কৰাৰ বাবে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। দুয়োটা প্ৰতিষ্ঠানত উপলব্ধ নথকা বিশেষ সা-সুবিধা নিৰূপন কৰা তথা পৰীক্ষণৰ ক্ষেত্ৰত পাৰস্পৰিক সহযোগিতা কৰাৰ প্ৰতি লক্ষ্য ৰাখি এই চুক্তিত স্বাক্ষৰ কৰা হৈছে। চুক্তি অনুসৰি বৈজ্ঞানিক আৰু কাৰিকৰী বিষয়াসকলৰ মাজত দক্ষতা বিকাশ আৰু জ্ঞানৰ আদান-প্ৰদান কৰাৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ উপৰি দুয়োটা প্ৰতিষ্ঠানৰ মাজত গৱেষণা আৰু পৰীক্ষণৰ বাবে পৰীক্ষাগাৰ আৰু সা-সৰঞ্জামৰ সুবিধা প্ৰদান কৰাৰ লক্ষ্য লোৱা হৈছে, যাতে দেশৰ বাবে গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ক্ষেত্ৰত বৈজ্ঞানিক আৰু কাৰিকৰীভাৱে দক্ষ ব্যক্তিসকলৰ সৈতে পাৰস্পৰিক সহযোগিতা কৰিব পৰা যায়।

০০০০০০০০০

ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ মহিলা টী-টুৱেণ্টী ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আজি তিৰুৱনন্তপুৰমত আৰম্ভ হৈছে। টছত জিকি শ্ৰীলংকাই ভাৰতক বেটিঙৰ বাবে আমন্ত্ৰণ জনাইছে। আমাৰ এই বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে ২ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ১৬ ৰাণ সংগ্ৰহ কৰিছে।

শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল অহা মঙলবাৰে এই একেটা স্থানতে অনুষ্ঠিত হ'ব।

০০০০০০০০০

বিজয়ৱাড়াত অনুষ্ঠিত ৮৭ সংখ্যক চিনিয়ৰ ৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ একক শাখাত আজি ঋত্বিক সঞ্জীৱি এছ বিজয়ী হৈছে। প্ৰতিযোগিতাৰ ফাইনেলত তেওঁ বি. ৰাঘৱক ২১-১৬, ২২-২০ পোনপটীয়া গেমত পৰাস্ত কৰে। ঋত্বিকে প্ৰতিযোগিতাৰ ছেমি ফাইনেলত শীৰ্ষ বাছনি কিৰণ জৰ্জ ২১-১৬, ১৭-২১ আৰু ২২-২০ গেমত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল।

পুৰুষৰ ডাবলছৰ ফাইনেলত এ হৰিহৰণ আৰু ৰুবেন কুমাৰে, মিথিলেশ কৃষ্ণণ আৰু প্ৰেজানক ২৪-২২, ২১-১৭ গেমত পৰাস্ত কৰি বিজয়ী হয়।

মহিলাৰ ডাবলছত পূৰ্বৰ চেম্পিয়ন শিখা গৌতম আৰু অশ্বিনী ভাট কেৰ যুটীয়ে প্ৰিয়া দেৱী কঞ্জেংবান আৰু শ্ৰুতি মিশ্ৰৰ যুটীক ২১-১৪, ২১-১৮ পোনপটীয়া গেমত পৰাস্ত কৰি খিতাপ দখল কৰে।

মিক্সড ডাবলছত সাত্বিক ৰেড্ডী কে আৰু ৰাধিকা শৰ্মাই অশীথ সূৰ্যা আৰু অমৰুথা পিক ২১-৯, ২১-১৫ পোনপটীয়া গেমত পৰাস্ত কৰি খিতাপ দখল কৰে।

০০০০০০০০০

**সমাপ্ত**